# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 30-06-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ দুলীয়াজান-ডিব্ৰুগড় খণ্ডৰ বৈদ্যুতিকীকৰণ সম্পন্ন হোৱাত দূৰণীবতিয়া ৰেলগাড়ী বৈদ্যুতিক ইঞ্জিনেৰে চলোৱাৰ প্ৰক্ৰিয়া আৰম্ভ। কাইলৈৰ পৰা ৰে'লৰ সকলো শ্ৰেণীৰ ভাড়া বৃদ্ধি।

২। যোৰহাটত বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিৰ সৈতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মত বিনিময়। আজি গোলাঘাটৰ কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ।

৩। ৰাজ্যৰ শিক্ষাবৰ্ষৰ সাল-সলনি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ বাবে চৰকাৰৰ উচ্চস্তৰীয় কমিটি গঠন।

৪। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে কাইলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন।

*আৰু*

৫। বোকাখাটত নিশা সংঘটিত আৰক্ষীৰ এনকাউণ্টাৰত গ্ৰেনেড বিস্ফোৰণৰ দুই অভিযুক্ত গুলীবিদ্ধ।

০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ তিনিচুকীয়া সংমণ্ডলৰ অধীনস্থ দুলীয়াজান-ডিব্ৰুগড় খণ্ডৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৰেই কেইবাখনো দূৰণিবতীয়া ৰে'লগাড়ী সম্পূৰ্ণকৈ বৈদ্যুতিক ইঞ্জিনেৰে চলোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। সেই অনুসৰি ডিব্ৰুগড় আৰু নতুন দিল্লীৰ মাজত চলাচল কৰা ১২৪২৪ আৰু ১২৪২৩ নম্বৰৰ ৰাজধানী এক্সপ্ৰেছ, গুৱাহাটী আৰু হাওৰাৰ মাজত মাজত চলাচল কৰা শৰাইঘাট এক্সপ্ৰেছ, ৰাজেন্দ্ৰ নগৰ আৰু কামাখ্যাৰ মাজৰ কেপিটেল এক্সপ্ৰেছ, শিলঘাট আৰু কলকাতাৰ মাজৰ সাপ্তাহিক কাজিৰঙা এক্সপ্ৰেছ ৰে'লগাড়ীকেইখনৰ সম্পূৰ্ণ যাত্ৰা পথত বৈদ্যুতিক ইঞ্জিন ব্যৱহাৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পৰ্যায়ক্ৰমে আন কেইবাখনো ৰে'লগাড়ীও সম্পূৰ্ণৰূপে বৈদ্যুতিক ইঞ্জিনেৰে চলোৱা হ'ব বুলি ৰে'ল বিভাগৰ সূত্ৰই জনাইছে। ইয়াৰ ফলত ডিজেলৰ বাবদ ব্যয় হোৱা বৃহৎ পৰিমাণৰ ধন ৰাহি হোৱাৰ লগতে বায়ু প্ৰদূষণো বহুখিনি নিয়ন্ত্ৰিত হ'ব বুলি আশা কৰা হৈছে।

আনহাতে, কাইলৈৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰে'লৰ সকলো শ্ৰেণীৰ যাত্ৰীৰ ভাৰা সামান্য বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ক'ভিড মহামাৰীৰ পাছত ভাৰতীয় ৰে'লৰেই প্ৰথমবাৰৰ বাবে যাত্ৰী ভাৰা বৃদ্ধিৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি এক্সপ্ৰেছ আৰু মেইল গাড়ীৰ ক্ষেত্ৰত শ্লিপাৰ শ্ৰেণীৰ ভাৰা প্ৰতি কিলোমিটাৰত ১ পইচাকৈ আৰু শীতোতাপ নিয়ন্ত্ৰিত শ্ৰেণীৰ ক্ষেত্ৰত প্ৰতি কিলোমিটাৰত ২ পইচাকৈ বৃদ্ধি কৰা হৈছে। অৱশ্যে ৫০০ কিলোমিটাৰ তলৰ দূৰত্বৰ সাধাৰণ শ্ৰেণীৰ আৰু উপ-মহানগৰীয় ৰে'ল ভাৰাৰ ক্ষেত্ৰত এই বৃদ্ধি প্ৰযোজ্য নহ'ব।

ইপিনে, উত্তৰ-পূব সীমান্ত ৰে'লৰেই কালি বদৰপুৰ-লামডিং ৰে'লপথৰ জাতিংগা-লামপুৰ-নিউ হাফলং অংশত ৰে'ল চলাচল পুনৰ আংশিকভাৱে আৰম্ভ কৰিছে। উল্লেখযোগ্য যে জাতিংগা-লামপুৰ অঞ্চলত ভূমিস্খলনৰ ফলত বদৰপুৰ-লামডিং ৰে'লপথেৰে যাত্ৰা যোৱা ছদিন ধৰি ব্যাহত হৈ আছিল।

কালিৰ দিনটোত দুখন বা তিনিখন ৰে'ল চলাচল কৰোৱা হয় যদিও অধিকাংশ ৰে'লৰ যাত্ৰা এতিয়াও সুৰক্ষাজনিত কাৰণত বন্ধ ৰখা হৈছে।

০০০০০০০

শিৱসাগৰ জিলা ভ্ৰমণ সামৰি কালি যোৰহাটত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৰহাট অভিৰৰ্তন কেন্দ্ৰত কালি বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিসকলক সাক্ষাৎ কৰি মত বিনিময় কৰে। যোৰহাটৰ পৰা নুমলীগড়লৈ ৰাওনা হোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে নিশা নুমলীগড় শোধনাগাৰত কটায়। আজি তেওঁ গোলাঘাট জিলা ভ্ৰমণ কৰিব। পুৱাৰ ভাগত ড০ শৰ্মাই ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলিয়া নামঘৰ আৰু আঠখেলিয়াৰ ত্ৰিশূলধাৰী মন্দিৰ দৰ্শন কৰিব। ইয়াৰ পাছত তেওঁ গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ ইনড'ৰ ষ্টেডিয়াম মুকলি কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ নৱনিৰ্মিত গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়া প্ৰকল্পও মুকলি কৰিব।

০০০০০০০

শিৱসাগৰ জিলাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ডিমৌ-মৰাণ অংশ  বিমানৰ জৰুৰীকালীন অৱতৰণৰ সুবিধা - ই এল এফেৰে নিৰ্মাণ কৰা হৈছে। যুদ্ধবিমান ৰাফেল, মিগ, তেজশ আদিকে ধৰি সামৰিক বিমান অৱতৰণ আৰু উৰণৰ আৰ্হিৰে এই ই এল এফ নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এই বিশেষ স্থান পৰিদৰ্শন কৰি এই আন্তঃগাঁথনি ৰাষ্ট্ৰীয় সুৰক্ষাৰ দিশত গুৰুত্বপূৰ্ণ সম্পদ বুলি মন্তব্য কৰিছে। মৰাণত বিমানৰ ই এল এফ যুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ সন্দৰ্ভত আকাশবাণীৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ প্ৰতিবেদন--

*(ৰাইট)*

০০০০০০০

ৰাজ্যৰ শিক্ষাবৰ্ষৰ সাল-সলনিৰ বাবে শিক্ষা বিভাগে অতিৰিক্ত সচিব কৃষ্ণা বৰুৱাৰ অধ্যক্ষতাত এখন নতুন উচ্চস্তৰীয় কমিটি গঠন কৰিছে। উল্লেখযোগ্য যে ক'ভিড মহামাৰীৰ সময়তে বিগত ২০২১ বৰ্ষৰ পৰা ৰাজ্যৰ শিক্ষাবৰ্ষ সলনি কৰা হৈছিল। পূৰ্বতে ১ জানুৱাৰীৰ পৰা ৩১ ডিচেম্বৰলৈকে শিক্ষাবৰ্ষ আছিল যদিও ২০২১ বৰ্ষৰ পৰা ১ এপ্ৰিলৰ পৰা ৩১ মাৰ্চলৈ শিক্ষাবৰ্ষ সলনি কৰা হৈছিল। ইয়াৰ পাছত বিভিন্ন দল-সংগঠনে ৰাজ্যৰ শিক্ষাবৰ্ষ পূৰ্বৰ দৰেই বাহাল ৰাখিবলৈ চৰকাৰক দাবী জনাই অহাৰ পৰিপ্ৰেক্ষিতত এই বিষয়টো অধ্যয়নৰ বাবে ৰাজ্য চৰকাৰে এই উচ্চস্তৰীয় কমিটীখন গঠন কৰিছে বুলি  শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। কমিটীখনে প্ৰথম পৰ্যায়ত বিষয়টো আলোচনা কৰাৰ বাবে ৰাজ্যৰ ১০ গৰাকী শিক্ষাবিদক বাছনি কৰি তেওঁলোকৰ সৈতে আলোচনাত মিলিত হ'ব। দ্বিতীয় পৰ্যায়ত ছাত্ৰ সংগঠনৰ নেতৃত্বৰ সৈতে এই সন্দৰ্ভত আলোচনা কৰাৰ বাবে অভিভাৱকসকলৰ সৈতে আলোচনাত মিলিত হ'ব। ইয়াৰ পাছত কমিটীখনে এই বিষয়ক এখন প্ৰতিবেদন শিক্ষা বিভাগক দাখিল কৰিব। এই প্ৰতিবেদনৰ ভিত্তিতেই শিক্ষাবৰ্ষ সলনি কৰা সন্দৰ্ভত ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ আয়োজন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে বিভাগটোৰ উত্তৰণৰ বাবে কাম কৰি যোৱা কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ বাতৰি বিভাগৰ লবীত স্থাপনৰ ব্যৱস্থা কৰিছে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰকেইখন কাইলৈ আনুষ্ঠানিকভাৱে স্থাপন কৰা হ'ব। প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। ইয়াৰ লগতে সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত 'ওপজা দিনৰ সুবাস' শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ

শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীয়ে ৭৭ বছৰ ইতিহাসত এইবাৰ প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

0000000

আকাশবাণী তেজপুৰ কেন্দ্ৰই গৌৰৱোজ্জ্বল ২৫ বছৰীয়া যাত্ৰা সম্পূৰ্ণ কৰাৰ উপলক্ষে তেজপুৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহত আজি ৰূপালী জয়ন্তী সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি সন্ধিয়া ৬ বজাত আৰম্ভ হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ উত্তৰ-পূব ক্ষেত্ৰৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰ বিশেষ অতিথি হিচাপে উপস্থিত থাকিব।

0000000

গৰুখুঁটিৰ বহুমুখী কৃষি প্ৰকল্পৰ গীৰ গাইক লৈ বিভিন্ন ধৰণৰ বিতৰ্ক চলি থকাৰ মাজতে কালি কৃষি প্ৰকল্পটোৰ পৰিচালনা সমিতিৰ অধ্যক্ষ বিধায়ক পদ্ম হাজৰিকাই এখন সংবাদ মেলৰ আয়োজন কৰে। সংবাদমেলত অধ্যক্ষগৰাকীয়ে বিষয়টোক লৈ সৃষ্টি হোৱা বিতৰ্ক সন্দৰ্ভত ভালেমান তথ্য দাঙি ধৰে। এই বিষয়ত আকাশবাণীৰ দৰঙৰ সংবাদদাতা ময়ুখ গোস্বামীয়ে এইদৰে জনাইছে—-

*(বাইট ঃ গোস্বামী)*

0000000

বোকাখাটত কালি নিশা আৰক্ষীৰ এনকাউণ্টাৰত গ্ৰেণেড বিস্ফোৰণৰ অভিযুক্ত ভৱেশ কলিতা আৰু সঞ্জীৱ বৰুৱা নামৰ দুজন লোক গুলীবিদ্ধ হয়। যোৱা ২৪ জুনত বোকাখাটৰ সাপজুৰিৰ পাণবাৰী কৃষি পামৰ চি আৰ পি এফৰ কেম্পত সংঘটিত গ্ৰেণেড বিস্ফোৰণৰ ঘটনাৰ অভিযুক্ত দুজনক লৈ কালি নিশা আৰক্ষীয়ে অভিযান চলোৱাৰ সময়তে এই ঘটনা সংঘটিত হয়। আৰক্ষীয়ে নিশা অভিযুক্ত দুজনক লুকুৱাই ৰখা পিষ্টল দেখুৱাবলৈ লৈ যোৱাৰ সময়ত তেওঁলোক দুজনে পলায়নৰ চেষ্টা কৰে। অভিযুক্ত দুজনে লুকুৱাই ৰখা পিষ্টলেৰে আৰক্ষীক গুলীচালনা কৰাত আৰক্ষীৰ প্ৰত্যুত্তৰত দুয়ো আহত হয়। ভৱেশ কলিতাৰ বাঁও ভৰিত আৰু সঞ্জীৱ বৰুৱাৰ সোঁ ভৰিত গুলী লগাত উন্নত চিকিৎসাৰ বাবে দুয়োকো নিশা যোৰহাট মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

0000000

দেশৰ শীৰ্ষ শিক্ষানুষ্ঠানসমূহক লৈ ইণ্ডিয়া টুডেই চলোৱা সমীক্ষাত ঢকুৱাখনা মহাবিদ্যালয় পূৰ্বতকৈ কেইবাটাও স্থান আগুৱাই কলা শাখাত ১৩৯ আৰু বিজ্ঞান শাখাত ১৭৯ স্থান লাভ কৰিছে। এই সমীক্ষাত অসমৰ ভিতৰত কলা আৰু বিজ্ঞান উভয় শাখাতে ঢকুৱাখনা মহাবিদ্যালয়ে চতুৰ্থ স্থান দখল কৰিছে।

0000000

মাজুলীৰ কমলাবাৰী ঘাটৰ পৰা নিমাতি ঘাটলৈ যাত্ৰা কৰা এখন ফেৰী কালি ব্ৰহ্মপুত্ৰৰ মাজত আৱদ্ধ হৈ পৰে। বিয়লি প্ৰায় তিনি বজাত এছ্ বি জলতৰি নামৰ ফেৰীখন আবদ্ধ হৈ পৰাত যাত্ৰীৰ মাজত হাহাকাৰ লাগে। পৰৱৰ্তী সময়ত এছ্ ডি আৰ এফৰ নাৱৰ জৰিয়তে যাত্ৰীসকলক নিমাতি ঘাটলৈ অনা হয়। ফেৰীখনত ৪৯ গৰাকী যাত্ৰী থকাৰ লগতে ১৭ খন মটৰ চাইকেল আৰু এখন চাৰিচকীয়া বাহন আছিল।

0000000

**আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰিকাকততেই মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক কেন্দ্ৰ কৰি ৰাজ্যজুৰি সৃষ্টি হোৱা বিতৰ্ক আৰু কালি গৰুখুটি কৃষি প্ৰকল্পৰ অধ্যক্ষ পদ্ম হাজৰিকাই সংবাদমেল সম্বোধন কৰা বাতৰিটোৱে শিৰোনাম দখল কৰিছে । অসমীয়া প্ৰতিদিন কাকতে**

মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক কেন্দ্ৰ কৰি সূত্ৰপাত হোৱা বিতৰ্ক সম্পৰ্কীয় পাঁচটা বাতৰি আজি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিকেইটাৰ শিৰোনাম **সাংবাদিকৰে মুখামুখি নহৈ সামাজিক মাধ্যমত দুখ প্ৰকাশ কৰি দায় সৰাৰ চেষ্টা জয়ন্ত মল্লৰ,** বিজেপি মন্ত্ৰী বিধায়কৰ গো কেলেংকাৰীক লৈ প্ৰতিবাদ অব্যহত-**ধৰ ঐ ধৰ, গৰু চোৰক ধৰ- ধ্বনিৰে দিশপুৰত কৃষক কংগ্ৰেছৰ বিক্ষোভ, বেমাৰী গৰুৰ চিকিৎসা নকৰি জনপ্ৰতিনিধিক গতোৱাক লৈ ৰহস্য, গৰুখুঁটিৰ গীৰ গাই সন্দৰ্ভত মুখ্যমন্ত্ৰী-পদ্ম হাজৰিকাৰ পৰস্পৰবিৰোধী ভাষ্য আৰু ৩০জনী গীৰ গাই ক্ৰয় কৰা তেজপুৰৰ বাবুল নাথৰ দুগ্ধপামৰ নাই অস্তিত্ব।** সাংবাদিকক উদ্দেশ্যি কৰা অশোভনীয় মন্তব্যক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ পাছত কালি মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে অনিচ্ছাকৃত ভূলৰ বাবে দুখ প্ৰকাশ কৰা বাতিৰিটো আমাৰ অসম কাকতে ***মন্ত্ৰী জয়ন্তমল্লৰ দায়সৰা দুখ প্ৰকাশ*** শিৰোনামেৰে প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰিছে। মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি অসমৰ বড়োভূমিত আৰম্ভ হোৱা ফুটবল বিপ্লৱৰ প্ৰশংসা কৰা বাতৰিটোৱে দৈনিক জনমভূমি কাকতত শিৰোনাম দখল কৰিছে। একেটা বাতৰিকে দৈনিক অসম, THE SENTINEL, অসমীয়া খবৰ, দৈনিক অগ্ৰদূত আদি কাকতেও ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মৰাণৰ চাৰিলেনযুক্ত পথত নিৰ্মীয়মাণ যুঁজাৰু বিমানৰ জৰুৰী অৱতৰণ ক্ষেত্ৰৰ অগ্ৰগতিৰ বুজ লোৱা বাতৰিটোৱেও প্ৰায়কেইখন কাকততেই আজি শিৰোনাম দখল কৰিছে। ওড়িশাৰ পুৰীত কালি জগন্নাথ ৰথযাত্ৰাৰ সময়ত সংঘটিত পদপিষ্টৰ ঘটনাত তিনিজন লোক নিহত হোৱাৰ লগতে অৰ্ধশতাধিক লোক আহত হোৱাৰ বাতৰিটো অনান্য কাকতসমূহৰ লগতে THE TIMES OF INDIA আৰু the assam tribune কাকতে প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে।

০০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**